# ১০.০০ অর্থতত্ত্ব (Semantics)


ভাষাবিজ্ঞানৰ অধ্যয়নৰ অন্য এটা স্তৰ হৈছে অৰ্থতত্ত্ব। মানুহে ভাব প্রকাশ কৰিবলৈ এটা বা ততোধিক ধ্বনি উচ্চাৰণ কৰি ৰূপ সৃষ্টি কৰে আৰু এই ৰূপবোৰ যথাস্থানত সংস্থাপন কৰি বাক্য সৃষ্টি কৰে। ভাষাৰ গঠন প্ৰণালী বুলিলে সাধাৰণতে — ধ্বনি, ধ্বনি সংযোগ, ৰূপগঠন, বাক্যগঠন আৰু অৰ্থ আদিকে বুজা যায়। এই সকলোবোৰ উপাদানৰ প্ৰয়োগ কৌশল ৰীতিসন্মত আৰু প্ৰণালীবদ্ধ। ভাষাৰ গঠন প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰসমূহ যথাক্ৰমে সৰুৰপৰা ডাঙৰলৈ লানি নিছিগাকৈ খাপ খাই থাকে। ভাষাৰ বিভিন্ন স্তৰসমূহৰ নিম্ন স্তৰৰপৰা উচ্চস্তৰলৈ সম্বন্ধ থকাৰ দৰে অৰ্থৰ লগতো এই উপাদানসমূহৰ প্ৰণালীবদ্ধ বান্ধোন আছে। অৰ্থৰ অবিহনে ভাষাৰ অন্যান্য উপাদানে ভাব প্ৰকাশ কৰিব নোৱাৰে। ভাবৰ সূচনা কৰে কেৱল অৰ্থইহে। সাধাৰণতে একোটা ভাষাৰ অৰ্থবিশ্লেষণত শব্দৰ অৰ্থৰ সম্পৰ্কৰ কথাকে আলোচনা কৰা হয়। অৰ্থৰ প্ৰধান কাম হৈছে — অধিক বহল পৰিসৰত শব্দৰ লগত বস্তুৰ কেনেধৰণৰ সম্পৰ্ক এই বিষয়ে বোধ জন্মোৱা, বক্তা আৰু শ্ৰোতাক চাৰিওফালে থকা বস্তুৰ প্ৰতি জ্ঞান আৰু ধাৰণা উপলব্ধি কৰোৱা, অভিজ্ঞতালব্ধ জ্ঞান আৰু মনোবৈজ্ঞানিক দিশৰ ব্যাখ্যা দাঙি ধৰা। মানৱ দেহত তেজ, মঙহ, অস্থি আদি থকাৰ উপৰি প্ৰাণসঞ্চাৰ হয়; ঠিক তেনেদৰে ভাষাসমূহতো ধ্বনি, ৰূপ, বাক্য আদি এইবোৰ উপাদান থকাৰ উপৰি ভাষাৰ গঠনপ্ৰণালীৰ আঁহে আঁহে সঞ্চাৰিত হৈ থাকে ইয়াৰ প্ৰাণ অৰ্থাৎ অৰ্থ। কাত্যায়ন, পতঞ্জলি, ব্যাস আদি সংস্কৃত পণ্ডিতসকলে শব্দৰ অৰ্থক 'ভাষাৰ সাৰভাগ' বুলি অভিহিত কৰিছে।

'অৰ্থতত্ত্ব'ৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Semantics'। এই শব্দটো গ্ৰীক ভাষাৰ পৰা আহিছে। গ্ৰীক ভাষাৰ বিশেষ্য ৰূপ 'Sema' ইয়াৰ অৰ্থ হৈছে sign or signal (চিহ্ন বা সংকেত)। ক্ৰিয়াৰূপ হৈছে 'Semain', ইয়াৰ অৰ্থ হৈছে — signal (সংকেত), mean (অৰ্থ), signify (ধাৰণা)। 'The Shorter Oxford Dictionary'এ 'semantics' শব্দৰ অৰ্থ এনেদৰে ব্যাখা কৰিছে — চিনাক্তকৰণৰ লগত সম্বন্ধ অৰ্থাৎ অৰ্থৰ সম্পৰ্ক (as relating, to signifaction or meaning)। অৰ্থতত্ত্বৰ ব্যাখ্যা থোৰতে এনেদৰে দিব পাৰি যে, অৰ্থতত্ত্ব হৈছে ভাষাবিজ্ঞানৰ এটা দিশ (aspect)। এই দিশটোৱে বক্তব্য (referents) আৰু

বিষয়ৰ (referends) লগত সম্পৰ্ক গঢ়ি তুলি ধাৰণা জন্মায় অৰ্থাৎ অৰ্থৰ (meaning) বোধ জন্মায়। মানুহে ব্যৱহাৰ কৰা কথিত বা লিখিত উক্তিবোৰে সদায় আমাৰ চাৰিওফালে থকা পাৰিপাৰ্শ্বিক জগতৰ লগত পাৰস্পৰিক সম্পৰ্ক ৰক্ষা কৰে। ভাষাৰ লগত অৰ্থই চিহ্ন আৰু প্ৰতীকৰূপে কাম কৰে। অৰ্থৰ বিশ্লেষণ বা অধ্যয়নকে অৰ্থতত্ত্ব বোলা হয়। অৰ্থতত্ত্বই অকলে ভাষাৰ এটা দিশ আবৰি আছে।[১]

### ১০.০১ অৰ্থ কেনেকৈ সাধিত হয়?

আমি কথা কওঁতে মুখেৰে কিছুমান ধ্বনি উচ্চাৰণ কৰোঁ, ধ্বনিসমষ্টি মিলাই শব্দ আৰু শব্দগুচ্ছ সৃষ্টি কৰা হয় আৰু শব্দগুচ্ছৰ সহায়ত বাক্য সৃষ্টি কৰা হয় আৰু এই বাক্যৰ সহায়তেই মনৰ ভাব প্ৰকাশ কৰা হয়। মনৰ ভাব প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা বাক্যৰ অন্তৰালত তিনিটা কথা অন্তৰ্নিহিত হৈ আছে। এটা হৈছে, উচ্চাৰিত ধ্বনিগুচ্ছ বা শব্দ অৰ্থাৎ বক্তব্য (referents); দ্বিতীয়টো হৈছে, যিটো বিষয়ে কোৱা হৈছে অৰ্থাৎ বিষয় (referends) আৰু তৃতীয়টো হৈছে, বক্তব্য আৰু বিষয়ৰ মাজত সম্পৰ্ক গঢ়ি তোলা ভাব বা ধাৰণা (reference, concept) অৰ্থাৎ অৰ্থ (meaning)। বক্তব্য, বিষয় আৰু ধাৰণা এই তিনিটাৰ সহসম্বন্ধ উলমান (Ullman)-এ দেখুওৱা ত্ৰিভুজৰ সহায়ত দেখুৱাব পাৰি —




উলমানে ত্ৰিভুজৰ সহায়ত দাঙি ধৰা বিশ্লেষণ, চচ্যুৰে ভাষাবিজ্ঞানত আগবঢ়োৱা অৰ্থ বিশ্লেষণৰ ধাৰণাৰ ওপৰত নিৰ্ভৰশীল। চচ্যুৰে ভাষাবিজ্ঞানৰ আলোচনাত চিহ্ন (sign)ক ভাষাৰ প্ৰাথমিক উপাদান বুলি কৈছে। কোনো বস্তুৰ নিৰ্দেশক শব্দ বা ধ্বনিকেই 'চিহ্ন' বুলি কৈছে। ভাবৰ আদান-প্ৰদানৰ বাবে মানুহে ধ্বনিযুক্ত শব্দ উচ্চাৰণ কৰে। প্ৰতিটো শব্দৰ স্বাভাৱিকতে দুটা ভাগ থাকে, এটা

হৈছে শ্ৰব্য ৰূপ (significant) আৰু আনটো হৈছে তাৰ অন্তৰ্নিহিত অৰ্থ (signifier)। গতিকে ভাষাবৈজ্ঞানিক চিহ্নৰ মনস্তাত্ত্বিক সত্তা দুটা, এটা হৈছে — 'ধ্বনি নিৰ্দেশক' আৰু আনটো হৈছে 'ধাৰণা'। ধ্বনি নিৰ্দেশক হৈছে — 'চিহ্নক'(signifier) আৰু ধাৰণাই হৈছে — 'চিহ্নিত' (signified)। প্ৰথম প্ৰকাৰে যাৰ বিষয়ে কৈছে তাৰ শ্ৰব্য ৰূপ আৰু দ্বিতীয় প্ৰকাৰে যাৰ বিষয়ে কোৱা হৈছে তাৰ ধাৰণা দিয়ে, অৰ্থাৎ যাক বুজোৱা হৈছে তাৰ অৰ্থ জ্ঞাপন কৰে। চিহ্ন, চিহ্নক আৰু চিহ্নিতৰ মাজত এটা সম্বন্ধ আছে। চচ্যুৰৰ চিহ্নৰ উপাদান-চিহ্নক আৰু চিহ্নিতৰ সম্বন্ধ বৃত্তৰ পৰিধিৰদ্বাৰা দেখুৱাব পাৰি—

ধাৰণা (চিহ্নিত) (Signified)

চিহ্ন (Sign)

বক্তব্য (চিহ্নক) (Signifier)

উদাহৰণৰ সহায়ত এনেদৰে বুজাব পাৰি যে, বক্তাই উচ্চাৰণ কৰা আৰু শ্ৰোতাই শুনা 'কুকুৰ' শব্দটোৰ 'ক্+উ+ক+উ+ৰ' এক ধ্বনি সমষ্টি। এই ধ্বনি সমষ্টি হৈছে, চিহ্ন (sign)। এই ধ্বনি সমষ্টি বক্তাই উচ্চাৰণ কৰাৰ লগে লগে শ্ৰোতাৰ কৰ্ণকোহৰত প্ৰতিধ্বনিত হয় আৰু লগে লগে শ্ৰোতাৰ মনত এটা চাৰিঠেঙীয়া জন্তু বিশেষৰ ধাৰণা আনি দিয়ে। এই ধাৰণাটোৰ পিছফালে 'কুকুৰ' নামৰ এটা জীৱন্ত প্ৰাণী লুকাই আছে। যি ধাৰণা আনি দিয়ে, সিয়ে 'চিহ্নক' (signifier), ইয়াত হাতী, ঘোঁৰা, গৰু, মেকুৰী আদিক বুজোৱা নাই। 'কুকুৰ' নামৰ চাৰিঠেঙীয়া ঘৰচীয়া জীৱ বিশেষকহে বুজাইছে; এই ধাৰণা মনৰ মাজত খোপনি পুতি, যি বোধ উৎপন্ন কৰে, অৰ্থাৎ যি বিশেষ অৰ্থ বোধ কৰোৱায়, সিয়ে 'চিহ্নিত' (signified)। 'মোৰ এটা কুকুৰ আছে' এই বাক্যটোত ব্যৱহৃত 'কুকুৰ' শব্দটো বক্তাই উচ্চাৰণ কৰা মুহূৰ্তত 'কুকুৰ' শব্দটোৱে বুজোৱা বিশেষ কুকুৰটো সম্পৰ্কে শ্ৰোতাৰ জ্ঞান নাথাকিলেও 'কুকুৰ' সম্পৰ্কে পূৰ্বজ্ঞান বা প্ৰাক্‌ধাৰণাৰ আধাৰত বক্তাৰ মনৰ ভাব শ্ৰোতাই বুজি পাইছে আৰু বক্তাইও প্ৰাক্‌ধাৰণাৰ আধাৰতেই মনৰ ভাব শ্ৰোতাৰ আগত ব্যক্ত কৰিব পাৰিছে।